**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-APR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। দুদিনীয়া নিৰ্বাচনী ভ্ৰমণসূচীৰে জ্যেষ্ঠ বিজেপি নেতা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি অসম আগমন।

২। বিৰোধী ঐক্যমঞ্চৰ হৈ কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বোকাজান আৰু তিতাবৰত নিৰ্বাচনী প্ৰচাৰ।

৩। নিৰ্বাচনী অধিসূচনাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন জিলাত অসাধু কাৰ্যকলাপ বিৰোধী অভিযান।

৪। উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য ছেমুৱেল ছাংছেনৰ কালি গুৱাহাটীত দেহাৱসান।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে ডেলহি কেপিটেলছৰ ৬ উইকেটত জয়লাভ।

০০০০০০

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। ৰাজনৈতিক দলসমূহে নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত তাৰকা প্ৰচাৰকক লৈ প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি দুখন নিৰ্বাচনী সভাত ভাগ লয়। **ধেমাজিৰ গোগামুখত** প্ৰথমখন নিৰ্বাচনী সভাত দিয়া ভাষণত শ্ৰীমোদীয়ে বিজেপিৰ বাবে দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ কল্যাণ অগ্ৰাধিকাৰৰ বিষয় বুলি মন্তব্য কৰে। তেওঁ দলটোৱে সৰ্বাত্মক উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে আন্তঃগাঁথনি, শিক্ষা আৰু স্বাস্থ্য সেৱাত নিৰন্তৰ গুৰুত্ব আৰোপ কৰি আহিছে বুলিও দাবী কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে মৰিগাঁৱৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠাৰ লগে লগে ৰাজ্যখনে ছেমিকণ্ডাক্টৰ চিপৰ বাবেও স্বীকৃতি লাভ কৰিব বুলি নিৰ্বাচনী সভাত মন্তব্য কৰে। **বিশ্বনাথ**ৰ বিহালীত দ্বিতীয়খন নিৰ্বাচনী সভাত অংশ লৈ শ্ৰীমোদীয়ে বিজেপিয়ে আত্মনিৰ্ভৰ অসম গঢ়াৰ পৰিকল্পনাৰে কাম কৰি আছে বুলি দাবী কৰে। প্ৰধানমন্ত্ৰীগৰাকী অহা ৬ এপ্ৰিলত মৰাণ, বৰপেটাৰোড আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব।

দলটোৰ হৈ প্ৰচাৰ চলাবলৈ আজি জ্যেষ্ঠ বিজেপি নেতা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হ'ব। শ্ৰীশ্বাহে আজি বিয়লি অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তৰ হৈ নগাঁও জিলাৰ কলিয়াবৰ বিধানসভা সমষ্টিৰ মিছা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত এখন নিৰ্বাচনী সভাত ভাগ ল'ব। ইয়াৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটীত থকা ৰাজ্যিক অতিথিশালাত নিশাটো কটাব। শ্ৰীশ্বাহে কাইলৈ পুৱা গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ধুবুৰী জিলাৰ ৰাটিয়াদহাৰ মেলা ময়দানত আয়োজিত আন এখন প্ৰচাৰ সভাত অংশ ল'ব।

ইয়াৰ পাছত শ্ৰীশ্বাহে কাইলৈ দিনৰ ভাগত দুধনৈ বিধানসভা সমষ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত গোৱালপাৰা জিলাৰ দুধনৈত আৰু বিয়লি পলাশবাৰী বিধানসভা সমষ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আন দুখন নিৰ্বাচনী সভাত ভাষণ দিব।

প্ৰধান বিৰোধী দল কংগ্ৰেছেও ব্যাপক নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰা দেখা গৈছে। দলটোৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে দেৱব্ৰত শইকীয়া, লুৰীণজ্যোতি গগৈ আৰু বিপুল গগৈৰ হৈ কালি নাজিৰা, খোৱাং আৰু টিংখাঙত প্ৰচাৰ

চলায়। নিৰ্বাচনী প্ৰচাৰত কংগ্ৰেছ নেত্ৰীগৰাকীয়ে শাসনাধিষ্ঠিত বিজেপি চৰকাৰক কঠোৰ সমালোচনা কৰে। খোৱাঙত বিৰোধী নেত্ৰীগৰাকীৰ সৈতে অসম জাতীয় পৰিষদৰ নেতা লুৰীণজ্যোতি গগৈ আৰু ৰাইজৰ দলৰ অখিল গগৈয়ে বিৰোধী ঐক্যমঞ্চৰ হৈ প্ৰচাৰ চলায়।

কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়েও আজি বিৰোধী ঐক্যমঞ্চৰ হৈ বোকাজান আৰু টীয়কত প্ৰচাৰ চলাব। এদিনীয়া কাৰ্যসূচীৰে ৰাজ্যলৈ আহিবলগীয়া লোকসভাৰ বিৰোধী দলপতিগৰাকীয়ে ডিমাপুৰ বিমানবন্দৰত পুৱাৰ ভাগতে অৱতৰণ কৰি কাৰ্বি আংলং জিলাৰ বোকাজানত উপস্থিত হৈ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব বুলি অসম প্ৰদেশ কংগ্ৰেছ সমিতিয়ে জানিবলৈ দিছে। ইয়াৰ পাছত বিয়লি নেতাগৰাকীয়ে তিতাবৰত উজনি অসমৰ ভোটাৰসকলক উদ্দেশ্য কৰি এখন প্ৰচাৰ সভাত অংশ ল'ব।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়েও  কালি টংলা বিধানসভা সমষ্টিৰ টংলা উচ্চতৰ মাধ্যমিক খেলপথাৰত বিজয় সংকল্প সভাত অংশ লয়। তেওঁ লগতে গোৰেশ্বৰ বিধানসভা সমষ্টিৰ শুক্লাই ষ্টেডিয়াম আৰু টিহু বিধানসভা সমষ্টিৰ বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত খেলপথাৰত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে।

**বাইট (চি এম)**

নলবাৰী সমষ্টিত বিজেপিৰ জ্যেষ্ঠ নেতা জয়ন্ত মল্লবৰুৱাৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী অশোক শৰ্মাই ব্যাপক প্ৰচাৰ চলায়। বাক্সা জিলাৰ শিমলাত ককলাবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ মণ্টু বড়োৱে ইউ পি পি এল দলৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। জিলাখনৰ ভকুৱামাৰীত এ আই ইউ ডি এফৰ মুৰববী বদৰুদ্দিন আজমলে প্ৰচাৰ অভিযানত অংশ লয়। বজালী জিলাত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী দিলীপ বৰুৱাৰ লগতে এন ডি এৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ ৰয়েও প্ৰচাৰ চলাইছে।

ছিপাঝাৰ বিধানসভা সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী বিনন্দ শইকীয়াই কালি ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰাৰ্থীগৰাকীয়ে নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত এইদৰে কয়—

**বাইট (বিনন্দ শইকীয়া)**

০০০০০০

নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ পাছৰেপৰা মানকাচৰ সমষ্টিত এফ এছ টিৰ ১৮ টা দলে বিভিন্ন এলেকাত দিনে-নিশাই অভিযান অব্যাহত ৰাখিছে। মানকাচৰৰ জাঙাল এলেকাত কালি মেঘালয়ৰ পৰা মানকাচৰত প্ৰৱেশ কৰা এখন বাহনত নিশা তালাচী চলাই নগদ এক লাখ টকা জব্দ কৰে। উপযুক্ত নথি-পত্ৰ দেখুৱাব নোৱাৰাৰ বাবে টকাখিনি জব্দ কৰা হয়। নিৰ্বাচনী বিধি অনুসৰি নিৰ্বাচনৰ পূৰ্বে কোনো ব্যক্তিয়ে একেলগে ৫০ হাজাৰতকৈ অধিক নগদ ধন অনা-নিয়া কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হয়।

০০০০০০

ডিব্ৰুগড়ৰ নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে আয়োগৰ দ্বাৰা নিয়োজিত সাধাৰণ পৰ্যবেক্ষক টি এন ভেংকটেশে কালি জিলাখনৰ খোৱাং বিধানসভা সমষ্টিৰ বিভিন্ন স্থান পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত তেওঁ যোগ্য ভোটদাতাসকলৰ বাবে চলি থকা গৃহ ভোটদান প্ৰক্ৰিয়াও নিৰীক্ষণ কৰে। ইয়াৰ লগতে তেওঁ সমষ্টিটোৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ ভ্ৰমণ কৰি ভোটদান প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহ পৰ্যালোচনা কৰে।

০০০০০০

ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত নিৰ্বাচন কেন্দ্ৰিক বাগধাৰাৰ গতি বিৰৰণ সন্দৰ্ভত দূৰদৰ্শন কেন্দ্ৰ গুৱাহাটীৰ বাতৰি বিভাগৰ উদ্যোগত এখন অভিৰ্তনৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ খানাপাৰাত আয়োজন কৰা এই অভিৰ্তনখনত বিভিন্ন ৰাজনৈতিক দলসমূহৰ নেতৃবৃন্দৰ লগতে ভালেকেইজন বিশিষ্ট চিন্তাবিদে অংশগ্ৰহণ কৰিব।

০০০০০০

উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য ছেমুৱেল ছাংছেনৰ কালি সন্ধিয়া গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। তেওঁৰ মৃত্যুত সমগ্ৰ জিলাখনতে শোকৰ ছাঁ পৰিছে। পৰিষদৰ চিকিৎসা বিভাগৰ দায়িত্বত থকা ছাংছেন সমাজৰ কল্যাণৰ বাবে আগবঢ়োৱা সেৱাৰ বাবে জনপ্ৰিয় আছিল। পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱোলাল গাৰ্লোছাই তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিষদ তথা জিলাখনৰ বাবে তেওঁৰ মৃত্যু অপূৰণীয় ক্ষতি বুলি মন্তব্য কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নতুন দিল্লীত থকা বাসগৃহত কালি সুৰক্ষা বিষয়ক কেবিনেট কমিটীৰ এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। বৈঠকত পশ্চিম এছিয়াৰ সাম্প্ৰতিক সংঘাতৰ সময়ত বিভিন্ন মন্ত্ৰালয় আৰু বিভাগে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ পৰ্যালোচনা কৰা হয়। বৈঠকত প্ৰধানমন্ত্ৰীয়ে জটিল সময়ত জনসাধাৰণৰ প্ৰয়োজনীয় সামগ্ৰীসমূহৰ উপলব্ধতাৰ খতিয়ান লয়। তেওঁ লগতে খাৰিফ আৰু ৰবি শস্যৰ বাবে দেশত সাৰৰ উপলব্ধতা নিশ্চিত কৰিবলৈ গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বুজ লয়। জনসাধাৰণক বৰ্তমানৰ সংঘাতৰ প্ৰভাৱৰ পৰা মুক্ত কৰি ৰাখিবলৈ সকলো প্ৰচেষ্টা অব্যাহত ৰখাৰ বাবেও শ্ৰী মোদীয়ে সংশ্লিষ্টসকললৈ নিৰ্দেশ দিয়ে। বৈঠকত কৃষি, সাৰ, জাহাজ তথা বিমান পৰিবহণ আদি ক্ষেত্ৰসমূহৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও আলোচনা কৰা হয়। কালিৰ বৈঠকত কেবিনেট সচিবে পেট্ৰ'লিয়ামজাত সামগ্ৰী, বিশেষকৈ এল পি জি আৰু এল এন জিৰ যোগান শৃংখল নিশ্চিত কৰিবলৈ হাতত লোৱা প্ৰচেষ্টাসমূহৰ বিষয়েও প্ৰধানমন্ত্ৰীক অৱগত কৰে।

বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত পেট্ৰ'লিয়াম মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই দেশত ইন্ধনৰ যোগান নিয়মীয়া কৰি ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে।

**ৰাইট**

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চলিত সংস্কৰণৰ পঞ্চমখন খেলত যোৱানিশা ডেলহি কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটৰ ব্যৱধানত পৰাস্ত কৰে।

লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি লক্ষ্ণৌৰ দলটোৱে আটাইকেইটা উইকেট হেৰুৱাই ১৪১ ৰান সংগ্ৰহ কৰে। দলটোৰ আব্দুল ছামাদে সৰ্বাধিক ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। ডেলহিৰ লুংগী এনগিড়ি আৰু টি নটৰাজনে ৩টাকৈ উইকেট দখল কৰে।

প্ৰত্যুত্তৰত দিল্লীৰ দলটোৱে ১৭ অভাৰ আৰু এটা বলতে ৪ উইকেটৰ বিনিময়ত বিজয় লক্ষ্য অতিক্ৰম কৰে। দিল্লীৰ সমীৰ ৰিজভিয়ে সৰ্বাধিক ৭০ ৰানৰ বৰঙণি আগবঢ়ায়। এই অনবদ্য প্ৰদৰ্শনৰ বাবে খেলুৱৈগৰাকীক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত কলকাতা নাইট ৰাইডাৰ্ছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী তৎপৰতা, মধ্যপ্ৰাচ্যৰ সংঘাতৰ শেহতীয়া পৰিস্থিতি, বাণিজ্যিক চিলিণ্ডাৰৰ মূল্য বৃদ্ধি আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি গোগামুখ আৰু বিহালীত নিৰ্বাচনী জনসভাত অংশগ্ৰহণ কৰাৰ বাতৰি **অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা** আদিকে ধৰি সকলোবোৰ কাকতে ভিন্ন শিৰোনামেৰে প্ৰকাশ কৰিছে।

দুসপ্তাহৰ ভিতৰত ইৰানৰ যুদ্ধৰ সমাপ্তি ঘটাব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ঘোষণা কৰাৰ বাতৰি **আমাৰ অসম, দি আছাম ট্ৰিবিউন** আদি কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ মাজতে ৰাজ্যৰ সাতখন টোলগেটত কালিৰেপৰা মাচুলৰ পৰিমাণ পাঁচ টকাৰ পৰা ৩৫ টকালৈ বৃদ্ধি কৰাৰ এটা বাতৰি প্ৰকাশ কৰিছে **দৈনিক অগ্ৰদূত** কাকতে।

জনতাৰ শিল্পী জুবিন গাৰ্গক নিৰ্বাচনত ৰাজনৈতিক মুনাফা আদায়ৰ বাবে ব্যৱহাৰ কৰা কাৰ্যৰ বিৰুদ্ধে গৰিমা শইকীয়া গাৰ্গ আৰু জুবিন গাৰ্গৰ খুৰাক মনোজ বৰঠাকুৰে তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমৰ লগতে সমগ্ৰ উত্তৰ-পূবক এপ্ৰিলৰ পৰা জুনলৈ অধিক গৰমে দহিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা আগজাননীৰ সবিশেষ বাতৰি **দৈনিক অসম** কাকতখনে অন্যতম মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**দৈনিক জনমভূমি** কাকতে বিত্তীয় ব্যৱস্থাপনাত উত্তৰ-পূবৰ ভিতৰত অসমে পঞ্চম স্থান অধিকাৰ কৰা বুলি নীতি আয়োগৰ প্ৰতিবেদনৰ বাতৰি প্ৰকাশ কৰিছে।

পহিলা এপ্ৰিলৰ পৰা নতুন আয়কৰ আইন, ২০২৫ কাৰ্যকৰী হোৱাৰ এটা বাতৰি প্ৰকাশ কৰিছে **দা ছেণ্টিনেল** কাকতে।

oooooo

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২০ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মিজোৰাম, অৰুণাচল, নাগালেণ্ড, মণিপুৰৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাৰ কিছু কিছু অঞ্চলত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**